# পাকিস্তানৰ বৈদেশিক মন্ত্ৰালয়ে কৰা মন্তব্য সন্দৰ্ভত সংবাদ মাধ্যমৰ প্ৰশ্নৰ উত্তৰ প্ৰদান চৰকাৰী মুখপাত্ৰৰ

২৫ জানুৱাৰী ২০২৪

**পাকিস্তানৰ বৈদেশিক মন্ত্ৰালয়ে কৰা মন্তব্য সন্দৰ্ভত সংবাদ মাধ্যমৰ প্ৰশ্নৰ উত্তৰত চৰকাৰী মুখপাত্ৰ শ্ৰী ৰণধীৰ জয়ছোৱালে এইদৰে কয়:**

"আমি পাকিস্তানৰ বৈদেশিক সচিবৰ কিছুমান মন্তব্য সন্দৰ্ভত সংবাদ মাধ্যমৰ প্ৰতিবেদন লক্ষ্য কৰিছো।

এয়া পাকিস্তানৰ মিথ্যা আৰু বিদ্বেষপূৰ্ণ ভাৰত বিৰোধী প্ৰচাৰৰ শেহতীয়া প্ৰয়াসৰ উদাহৰণ।

বিশ্বই জানে যে পাকিস্তান দীৰ্ঘদিন ধৰি সন্ত্ৰাসবাদ, সংগঠিত অপৰাধ আৰু অবৈধ আন্তঃৰাষ্ট্ৰীয় কাৰ্যকলাপৰ কেন্দ্ৰবিন্দু হৈ আহিছে। ভাৰত আৰু আন বহু দেশে পাকিস্তানক ৰাজহুৱাভাৱে সকীয়াই দিছে যে পাকিস্তানক নিজৰ সন্ত্ৰাস আৰু হিংসাৰ সংস্কৃতিয়ে গ্ৰাস কৰিব।

পাকিস্তানে নিজ কৃতকৰ্মৰ ফল নিজেই ভোগ কৰিব।

আনক নিজৰ অপকৰ্মৰ বাবে দোষাৰোপ কৰাটো কোনো যুক্তি বা সমাধান হ'ব নোৱাৰে।"

**নতুন দিল্লী**
**২৫ জানুৱাৰী ২০২৪**